1

অসমৰ অৰ্থনীতিৰ মূল বৈশিষ্ট্যসমূহ :

অসমৰ অৰ্থনীতিৰ মূল বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল —

1) ৰাজ্যিক আয়ৰ ধীৰ গতিৰ বিকাশ :

অসমৰ ৰাজ্যিক আয়ৰ বিকাশ দ্রুত যদিও ই ধীৰ গতিত বৃদ্ধি পোৱা দেখা গৈছে। ধীৰ গতিত ৰাজ্যিক আয়ৰ বিকাশ অসমৰ অৰ্থনীতিৰ এক প্ৰধান বৈশিষ্ট্য। যদিও প্ৰথম অৱস্থাত অসমৰ ৰাজ্যিক আয়ৰ বিকাশৰ হাৰ সৰ্বভাৰতীয় পৰ্যায়তকৈ যথেষ্ট কম আছিল, কিন্তু শেহতীয়া তথ্য অনুসৰি অসমৰ ৰাজ্যিক আয়ৰ পৰিমাণ কিছু পৰিমাণে উন্নতি ঘটা পৰিলক্ষিত হৈছে। 1972-73 চনৰ প্ৰচলিত মূল্যত অসমৰ ৰাজ্যিক আয় আছিল 946 কোটি টকা। এই সময়ছোৱাত বৃদ্ধিৰ হাৰ আছিল 4.2 শতাংশ। আনহাতে এই সময়ছোৱাত ভাৰতৰ জাতীয় আয়ৰ বৃদ্ধিৰ হাৰ আছিল 24.5 শতাংশ। 1990-91 চনত অসমৰ ৰাজ্যিক আয়ৰ বিকাশৰ হাৰ আছিল 12.1 শতাংশ। 2006-07 চনত এই বৃদ্ধিৰ হাৰ আছিল 10.1 শতাংশ। কিন্তু 1990-91 আৰু 2006-07 চনত ভাৰতৰ শুদ্ধ জাতীয় আয়ৰ বৃদ্ধিৰ হাৰ আছিল ক্ৰমে 17 শতাংশ আৰু 14.5 শতাংশ। 20016-17 চনত

অসমৰ ৰাজ্যিক আয়ৰ বৃদ্ধি হৈ 249800.96 কোটি টকা (প্ৰচলিত দৰত) (As per Quick estimates) হয় আৰু এই সময়ছোৱাত বৃদ্ধিৰ হাৰ আছিল 10.55 শতাংশ। গতিকে দেখা যায় যে, অসমৰ ৰাজ্যিক আয়ৰ বৃদ্ধিৰ হাৰ দ্ৰুত যদিও ই ধীৰ প্ৰকৃতিৰ।

২) <u>নিম্ন জনমূৰি আয়</u> :-

অসমৰ অৰ্থনীতিৰ আন এক বৈশিষ্ট্য হৈছে নিম্ন জনমূৰি আয়। 1970-71 চনত অসমৰ জনমূৰি আয়ৰ পৰিমাণ আছিল ~~5218 টকা~~ 528 টকা (প্ৰচলিত দৰত)। ইয়াৰ বিপৰীতে এই সময়ছোৱাত ৰাষ্ট্ৰীয় জনমূৰি আয়ৰ পৰিমাণ আছিল 636 টকা। 1978-79 চনত অসমৰ জনমূৰি আয়ৰ পৰিমাণ আছিল 1007.2 টকা আৰু 1990-91 চনত ইয়াৰ পৰিমাণ 4281 টকা হয় আৰু 2005-06 চনত অসমৰ জনমূৰি আয় হয় 18,598 টকা। ইয়াৰ বিপৰীতে সৰ্বভাৰতীয় হিচাপত ইয়াৰ পৰিমাণ 25,788 টকা হয়। 2016-17 চনৰ তথ্য অনুসৰি, স্থিৰ ৰাজ্যিক আয়ত অসমৰ জনমূৰি আয়ৰ পৰিমাণ হয়

65,698 টকা (প্ৰচলিত দৰত) আৰু বৃদ্ধিৰ হাৰ হয় 8.55% (As per Quick Estimate)। কিন্তু অসমৰ জনমূৰি আয়ৰ পৰিমাণ সৰ্বভাৰতীয় গড় পৰিমাণতকৈ এতিয়াও নিম্ন হৈ আছে।

3) নিম্ন মূলধন গঠনৰ হাৰ :-

অসমৰ অৰ্থনীতিৰ এক প্ৰধান বৈশিষ্ট্য হ'ল নিম্ন মূলধন গঠনৰ হাৰ। মূলধন গঠন সঞ্চয়ৰ ওপৰত নিৰ্ভৰ কৰে আৰু সঞ্চয় নিৰ্ভৰ কৰে আয়ৰ আকাৰৰ ওপৰত। যিহেতু অসমৰ জনমূৰি আয়ৰ পৰিমাণ কম, সেইকাৰণে জনসাধাৰণৰ সঞ্চয়ৰ ক্ষমতাও কম। তদুপৰি অসমৰ জনসাধাৰণৰ প্ৰান্তিক ভোগ প্ৰৱণতাৰ হাৰ যথেষ্ট উচ্চ। এনেবোৰ কাৰণতে অসমত মূলধন গঠনৰ হাৰ নিম্ন।

4) কৃষিৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা :-

অসমৰ অৰ্থনীতি মূলতঃ কৃষিপ্ৰধান অৰ্থনীতি। ইয়াৰ অধিক সংখ্যক লোক কৃষি আৰু ইয়াৰ আনুসংগিক কাম-কাজৰ ওপৰত নিৰ্ভৰশীল। অসমৰ প্ৰায় 70 শতাংশতকৈ অধিক লোক জীৱিকাৰ বাবে কৃষি খণ্ডৰ ওপৰত নিৰ্ভৰশীল। কিন্তু, অসমৰ

কৃষিখণ্ডত এতিয়াও পুৰণিকলীয়া কৃষি পদ্ধতি ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। ফলত কৃষিখণ্ডত উৎপাদন নিম্ন হোৱা দেখা যায়। তদুপৰি, অসমৰ কৃষিখণ্ডই বৰ্তমানেও অত্যাধিক জনসংখ্যাৰ বোজা বহন কৰি থাকিবলগীয়া হৈছে।

5) উচ্চ হাৰৰ জনসংখ্যা বৃদ্ধি :—

অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট বেছি। 1951-61 দশকত অসমত জনসংখ্যাৰ দশকীয় বৃদ্ধিৰ হাৰ আছিল 34.97 শতাংশ। ইয়াৰ বিপৰীতে সৰ্বভাৰতীয় বৃদ্ধিৰ হাৰ আছিল 21.64 শতাংশ। 1971-91 চনৰ সময়ছোৱাত অসমত জনসংখ্যা বৃদ্ধিৰ দশকীয় হাৰ আছিল 53.26 শতাংশ। 2001-2011 দশকত জনসংখ্যাৰ দশকীয় বৃদ্ধিৰ হাৰ আছিল 16.93 শতাংশ। আনহাতে সৰ্বভাৰতীয় দশকীয় বৃদ্ধিৰ হাৰ আছিল 17.64 ~~শতাংশ~~ শতাংশ। সেইদৰে, অসমৰ জনসংখ্যাৰ ঘনত্বও সৰ্বভাৰতীয় জনসংখ্যাৰ ঘনত্বতকৈ বেছি। 2011 চনৰ লোকপিয়ল অনুসৰি, অসমৰ জনসংখ্যাৰ ঘনত্ব 398 জন। আনহাতে ভাৰতৰ জনসংখ্যাৰ ঘনত্ব আছিল 382 জন। অসমত জনসংখ্যাৰ প্ৰকৃত বৃদ্ধিৰ হাৰ স্বাভাৱিক বৃদ্ধিৰ হাৰতকৈ

বেছি। অৰ্থাৎ অসমৰ জনসংখ্যাৰ বৃদ্ধিত প্ৰব্ৰজনেও যথেষ্ট প্ৰভাৱ পেলাইছে।

6) ~~আন্ত~~ <u>পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ:-</u>

পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ অসমৰ অৰ্থনীতিৰ এক প্ৰধান বৈশিষ্ট্য। পৰিবহন, যাতায়ত যোগাযোগ, বেংক সুবিধা ইত্যাদিৰ দিশত অসম অন্যান্য ৰাজ্যৰ তুলনাত পিছপৰা হিচাপে পৰিগণিত হৈ আহিছে। তদুপৰি সামাজিক আন্তঃগাঁথনি যেনে, শিক্ষা, স্বাস্থ্য আদিৰ ক্ষেত্ৰতো অসম পিছপৰা আছে। বানপানী, গৰাখহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগৰ কাৰণেও পথ পৰিবহন, জলপৰিবহন, ৰেল পৰিবহন, যোগাযোগ ব্যৱস্থাই বহুতো অসুবিধাৰ সন্মুখীন হয়। তদুপৰি বিদ্যুতৰ উৎপাদন আৰু ব্যৱহাৰৰ ক্ষেত্ৰতো অসম পিছপৰি আছে।

7) <u>প্ৰাকৃতিক সম্পদৰ অপূৰ্ণ ব্যৱহাৰ:</u>

প্ৰাকৃতিক সম্পদত অসম এখন চহকী ৰাজ্য। কিন্তু বিভিন্ন কাৰণত প্ৰাকৃতিক সম্পদসমূহৰ পূৰ্ণ ব্যৱহাৰ হোৱা নাই। অনুন্নত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা, লেহেমীয়া উদ্যোগীকৰণ, মূলধনৰ অভাৱ ইত্যাদি বিভিন্ন কাৰণত ৰাজ্যখনত প্ৰাকৃতিক সম্পদৰ পূৰ্ণ ব্যৱহাৰ সম্ভৱ হোৱা নাই।

8) উদ্যোগৰ ক্ষেত্ৰত পিছপৰা :-

উদ্যোগৰ ক্ষেত্ৰত অসমৰ ভাৰতৰ ভিতৰতে এখন পিছপৰা ৰাজ্য। অসম প্ৰাকৃতিক সম্পদত চহকী যদিও অসমৰ ঔদ্যোগিক উন্নয়ন সন্তোষজনক নহয়। ইয়াৰ কাৰণ হৈছে পৰ্যাপ্ত পৰিমাণৰ আন্তঃগাঁথনিৰ অভাৱ, নিম্ন মূলধন গঠনৰ হাৰ, উদ্যমী ব্যক্তিৰ অভাৱ, কম পৰিমাণৰ বেচৰকাৰী বিনিয়োগ, কেন্দ্ৰীয় চৰকাৰৰ অমনোযোগিতা আদি।

9) নিবনুৱা সমস্যা :-

নিবনুৱা সমস্যা অসমৰ এক জলন্ত সমস্যা। জনসংখ্যা বৃদ্ধিৰ অনুপাতে নিয়োগৰ সুবিধা সৃষ্টি কৰিব নোৱাৰাৰ পৰিণতিত অসমত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। নিবনুৱাৰ পৰিমাণ হ্ৰাস কৰিবলৈ চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰা দেখা গৈছে যদিও নিবনুৱাৰ পৰিমাণ হ্ৰাস কৰিব পৰা নাই।

10) দৰিদ্ৰতা :-

অসমৰ অৰ্থনীতিৰ আন এক বৈশিষ্ট্য হ'ল দৰিদ্ৰতা। জনসংখ্যা বৃদ্ধি, আয়ৰ অসমতা বৃদ্ধি, মুদ্ৰাস্ফীতি আদি বিভিন্ন কাৰণত অসমত নিবনুৱা সমস্যা বৃদ্ধিৰ লগতে দৰিদ্ৰতা সমস্যাও সৃষ্টি হয়।